**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 24-08-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

অসম আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ মাজত পৰৱৰ্তী পৰ্যায়ৰ আলোচনাৰ পাছতহে উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিত গছপুলি ৰোপণ কৰা হ'ব। কালি ৰাজ্যৰ বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী তথা গৃহ আৰু সীমা বিভাগৰ মন্ত্ৰী ৱাই পেট্টনৰ নেতৃত্বত দুয়োখন ৰাজ্যৰ চৰকাৰী প্ৰতিনিধিৰ দলে বনাঞ্চলখনৰ উচ্ছেদিত ভূমি পৰিদৰ্শন কৰে। ইয়াৰ পাছতে দলটোৱে উৰিয়ামঘাটৰ বিদ্যাপুৰ খেল-পথাৰত গছপুলি ৰোপন সন্দৰ্ভত এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকৰ পাছত নাগালেণ্ডৰ মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে ৰেংমা বনাঞ্চলখন অসম আৰু নাগালেণ্ডৰ বিবদমান অঞ্চল হোৱা হেতুকে বিষয়টো এতিয়াও ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। এনে পৰিস্থিতিত কোনো এখন ৰাজ্যই এই অঞ্চলত নিজাববীয়াকৈ কাম-কাজ কৰিব নোৱাৰে। দুয়োখন ৰাজ্যৰ মাজৰ সিদ্ধান্তমৰ্মেহে পৰৱৰ্তী সময়ত গছপুলি ৰোপণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। ইপিনে, বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়েও অনুৰূপ মন্তব্য প্ৰদান কৰাৰ লগতে কয়, যে বনাঞ্চলখনত বনানীকৰণ কৰা হ'ব আৰু প্ৰয়োজন সাপেক্ষে উচ্ছেদৰ কামো চলি থাকিব।

উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত স্থগিতাদেশ জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে ৭৩ টা পৰিয়ালে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি নৰসিমহা আৰু অতুল চন্দুকাৰৰ বিচাৰপীঠে পৰৱৰ্তী শুনানি পৰ্যন্ত এই স্থগিতাদেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত অসম চৰকাৰ আৰু গোলাঘাট জিলা প্ৰশাসনলৈ জাননী জাৰি কৰিছে।

গোৱালপাৰা জিলা প্ৰশাসনে কালি মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাক্ষসিনী অঞ্চলত উচ্ছেদ অভিযান চলাই ১০৫ খন ব্যৱসায়িক প্ৰতিষ্ঠান উচ্ছেদ কৰে।

নগাঁও জিলা প্ৰশাসনেও ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত ২৭ আগষ্টত উচ্ছেদ চলাব।

০০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ধেমাজি নগৰত মুখ্যমন্ত্ৰীৰ নগৰীয়া পকী পথ নিৰ্মাণ আঁচনিৰ পুঁজিৰে নিৰ্মিত গৌৰৱ পথটো উদ্বোধন কৰে। জিলাখনৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাছাৰি মৈদাম তিনিআলিৰ পৰা জিলা আয়ুক্ত ভৱন হৈ ষ্টেছন ৰোড সংযোগী এই পথটোৱে অঞ্চলটোৰ ৰাইজক যাতায়াতৰ ক্ষেত্ৰত সকাহ দিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। লোক নিৰ্মাণ বিভাগৰ ধেমাজি, ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনত এক কোটি ৮৬ লাখ ৯৮ হাজাৰ টকা ব্যয়েৰে পথটো নিৰ্মাণ কৰা হৈছে।

০০০০০০০০

ডিগবৈ থানাই ৰাজ্যৰ সৰ্বশ্ৰেষ্ঠ থানাৰ স্বীকৃতি লাভ কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ মূল্যায়নৰ ভিত্তিত তিনিচুকীয়া জিলাৰ ডিগবৈ থানাই ৰাজ্যৰ ভিতৰতে শ্ৰেষ্ঠ থানাৰ সন্মান অৰ্জন কৰিছে। থানাখনে আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা সফলতা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে এই বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে। অহা ২৬ আগষ্টত গুৱাহাটীৰ উলুবাৰীস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত ডিগবৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দিব্যজ্যোতি দত্তই শ্ৰেষ্ঠ থানাৰ প্ৰমাণ পত্ৰ গ্ৰহণ কৰিব।

00000000

ডিব্ৰুগড় জিলাৰ বামুণবাৰী ডোমৰদলং গাওঁ পঞ্চায়তৰ ফটিকাচোৰা নেপালী গাঁৱত কালি মন্ত্ৰী বিমল বৰাই তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ অনুমোদন পত্ৰ বিতৰণ কৰে। এই আঁচনিৰ অধীনত এতিয়াৰে পৰা হিতাধিকাৰীসকলে ৰন্ধন গেছৰ চিলিণ্ডাৰত লাভ কৰিবলগীয়া ২৫০ টকা ৰেহাই ধনৰ আবেদনপত্ৰ মন্ত্ৰীগৰাকীয়ে বিতৰণ কৰে। এই কাৰ্যসূচীত বিজেপিৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে।

00000000

শিৱসাগৰৰ আমগুৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ ড০ আছফিয়া চুলতানাৰ দুখন গ্ৰন্থ কালি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকা আৰু গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সব্যসাচী মহন্তই উন্মোচন কৰে। **এনভায়াৰমেণ্টেল ষ্টাডিজ-নেচাৰেল ৰিচ'ৰ্ছ ঃ বায়'ডাইভাৰ্ছিটী ছাষ্টেনেইবিলিটি এণ্ড এনভায়াৰমেণ্টেল ছেলেঞ্জেছ** আৰু **ফিল্ড ৰিচাৰ্ছ মেথড এণ্ড টেকনিক** শীৰ্ষক পৰিৱেশ আৰু গৱেষণা সম্পৰ্কীয় উন্মোচিত গ্ৰন্থ দুখনে উচ্চশিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জ্যোতি প্ৰসাদ শইকীয়া, উজনিয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষীকান্ত মহন্ত আদিৰ লগতে ভালে সংখ্যক ব্যক্তি উপস্থিত থাকে।

00000000

কাছাৰ জিলাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ অগ্ৰগতি পৰ্যালোচনা কৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সন্তুষ্টি প্ৰকাশ কৰিছে।  ৰাজ্যপালগৰাকীয়ে কালি শিলচৰৰ কাছাৰ জিলা প্ৰশাসনৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত বিভাগীয় বিষয়াসকলৰ সৈতে মিলিত হয়। পাছত তেওঁ সাংবাদিকৰ আগত কয়, যে কাছাৰৰ উন্নয়নমূলক কামকাজত তেওঁ সন্তুষ্টি লাভ কৰিছে। এই প্ৰচেষ্টাই অনাগত দিনত জিলাখনত অধিক উন্নয়নৰ পথ মুকলি কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে শিলচৰলৈ যোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি পুৱা চাৰে ৯ বজাত ৰামকৃষ্ণ মিছন পৰিদৰ্শন কৰাৰ লগতে ৰেডক্ৰছ শিশু চিকিৎসালয়ো পৰিদৰ্শন কৰিব।

00000000

**সমাপ্ত**